# মাদকাসক্তি

বিকাৰ ॥ জিতুমণি পাঠক



**ভাৰতীয়** সমাজ-সংস্কৃতিত ইতিহাসে ঢুকি নোপোৱা সময়ৰ আগৰে পৰা মাদকদ্ৰব্যৰ অবাধ তথা মুক্ত প্ৰচলনৰ তথ্য পোৱা যায়। হিন্দু ধৰ্মীয় শাস্ত্ৰসমূহত বৰ্ণিত দেৱতাসকলৰ সোমৰস পানৰ কাহিনী বা ভাং খাই মতলীয়া হৈ পৰা শিৱৰ অভব্য আচৰণৰ যি সৰস বৰ্ণনা, সি এচাম মানুহক স্বাভাৱিকতে তাহানিৰে পৰা এই মাদকতা সৃষ্টি কৰিব পৰা দ্ৰব্যসমূহৰ প্ৰতি উৎসুক কৰি তুলিছিল। এই মাদকদ্ৰব্যবোৰৰ প্ৰতি উৎসুকতা— এক ভয়ংকৰ কাৰণ হিচাপে নিৰ্ণিত হৈছে ইয়াৰ হাতোৰাত বন্দী হোৱাৰ। উৎসুকতাৰ বাবেই বহুতে বহু ময়ত ইয়াৰ চক্ৰবেহুত প্ৰথম ভৰি দিয়ে আৰু আমৃত্যু ইয়াতেই হাহাকাৰ কৰি জীৱন পাত কৰে।

সমাজ বিজ্ঞানীসকলে বিভিন্ন ময়ত ড্ৰাগ্‌ছ আসক্ত ্যক্তিসকলৰ ওপৰত চলোৱা বিভিন্ন অধ্যয়নবোৰে বাৰে বাৰে এই কথাটোৱে প্ৰতীয়মান কৰিছে যে এই ড্ৰাগ্‌ছ আসক্তসকলৰ এক হৎ অংশই নিজকে সমাজৰ এক পলনীয়া অংশ হিচাপে বিবেচনা কৰে। স্থানচ্যুত এই লোকসকলৰ এটা ংশই পলায়নবাদী মনোভাবেৰে াগ্‌ছৰ মাজেৰে সমভাবাপন্ন ্যক্তিসকলৰ সৈতে এখন সুকীয়া গত সৃষ্টি কৰাৰ প্ৰয়াস কৰে। আন চামে আকৌ নিজৰ হেৰুওৱা স্থান নৰুদ্ধাৰৰ যুদ্ধত ইয়াক এবিধ াহিলা হিচাপে গ্ৰহণ কৰি যুদ্ধক্ষেত্ৰত ৱতীৰ্ণ হয় যদিও এটা সময়ত ৰক্ষাৰ সেই হাথিয়াৰেই বুমেৰাং হৈ তওঁলোকক তাৰ হাতোৰাত বন্দী ৰি পেলায়।

ড্ৰাগ্‌ছৰ কুটিল হাতোৰাই মাজৰ কোন কোন শ্ৰেণীৰ নুহক তাৰ বহতীয়া গোলাম কৰি পলায় সেয়া জানিবলৈ এটা মীক্ষাৰ ফলাফল লক্ষ্য কৰি লেই ামাৰ বাবে সেই কথাটো স্পষ্ট হৈ ৰিব। এবাৰ ৰাজধানী চহৰ দিল্লীৰ উন ছুগাৰ আসক্ত দুশ ত্ৰিশগৰাকী ক্তিৰ ওপৰত চলোৱা অধ্যয়নটোত দেখা গৈছিল যে ইয়াৰে এশ দহগৰাকী ব্যক্তিৰ এই নিচাত প্ৰথমটো খোজ তথা আসক্ত হৈ পৰাৰ প্ৰধান কাৰণ হিচাপে চিহ্নিত হৈছিল কৰ্ম সংস্থাপনহীনতা, পঞ্চলিশগৰাকী ব্যক্তি বিতাড়িত হ'ব লগাত পৰিছিল তেওঁলোকে জীৱিকা নিৰ্বাহ কৰি থকা কৰ্মৰ পৰা, সাতাইশগৰাকীয়ে দেউলীয়া হৈ পৰিছিল ব্যৱসায়ত, আন সাতাইশগৰাকী প্ৰতাৰিত হৈছিল প্ৰেমত আৰু একৈশগৰাকী যুগ্ম জীৱনত ব্যৰ্থ হৈ সাবটি ল'ব লগা হৈছিল নিঃসংগতাক। স্বাভাৱিকতে জীৱন যুদ্ধত ব্যৰ্থ এই সৈনিকসকলে জীয়াই থকাৰ তাড়নাতেই এক বিকল্প পথৰ সন্ধান কৰিছিল। কিন্তু তেওঁলোকে বাছি লোৱা সেই বিকল্পই নতুন জীৱন দান কৰাৰ পৰিৱৰ্তে তিল-তিলকৈ ঠেলি দিছিল মৃত্যুৰ মুখলৈ।

মাদকাসক্তিৰ কাৰণসমূহ বিশ্লেষণ কৰিলে এইটো স্পষ্ট হৈ পৰে ই নিঃসন্দেহে এক জটিল সামাজিক সমস্যা। কিন্তু এই সমস্যাক অনুধাৱন কৰিবলৈ আমিবোৰ যেন এতিয়াও পৰিপক্ক হৈ উঠা নাই। আমিবোৰ সকলোৱে এনে এক ভুল ধাৰণাৰে পৰিচালিত হৈ থাকো যে, সমাজত যিসকল নৈতিকভাৱে অতি দুৰ্বল চৰিত্ৰৰ লোক তেওঁলোকেই মাদকদ্ৰব্যত আসক্ত হৈ পৰে। প্ৰচণ্ড ইচ্ছাশক্তিৰ জৰিয়তে আসক্তিৰ যিকোনো এটা পৰ্যায়ৰ পৰা স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিব পাৰে বুলি ভবাটোও তেনে এক ভুৱ ধাৰণাই মাথোন।

## কেনেকৈ হয় আসক্তি ?

প্ৰত্যেকবিধ মাদক দ্ৰব্যই প্ৰত্যক্ষ বা পৰোক্ষভাৱে হওঁক মগজুৰ 'বিৱাৰ্ড ছিষ্টেম'টোক লক্ষ্য হিচাপে বাছি লয়। ব্যক্তি এগৰাকীয়ে মাদক দ্ৰব্য গ্ৰহণ কৰাৰ লগে লগে মগজুত ড'পামাইন নামৰ ৰাসায়নিক পদাৰ্থ এবিধ অতিৰিক্তভাৱে নিঃসৰিত হ'বলৈ ধৰি মগজুৰ 'বিৱাৰ্ড ছিষ্টেম'ক বুৰাই পেলায়। ড'পমাইন হৈছে প্ৰকৃততে নিউৰ' ট্ৰেন্সমিটাৰ নামৰ এবিধ ৰাসায়নিক বাৰ্তাবাহক যিয়ে ব্যক্তি এগৰাকীৰ চলন-ফুৰণ, লক্ষ্য-আদৰ্শ, আৱেগ-অনুভূতি আদিক নিয়ন্ত্ৰণ কৰে। ড'পামাইন নামৰ এই নিউৰ'ট্ৰেন্সমিটাৰবিধ স্বাভাৱিক অৱস্থাতে মগজুত উৎপন্ন হৈ থাকে। কিন্তু মাদকদ্ৰব্যৰ ব্যৱহাৰে ইয়াৰ প্ৰয়োজনাধিক উৎপাদন আৰম্ভ কৰে। প্ৰয়োজনাধিক নিঃসৰণে স্বাভাৱিক কাম-কাজত (যেনে — খোৱা, আপোনজনৰ সৈতে কটোৱা মুহূৰ্তবোৰত) এক অতিৰিক্ত মাত্ৰা প্ৰদান কৰে। আন কথাত স্বৰ্গীয় সুখানুভূতিৰ সৃষ্টি কৰে। কিন্তু মাদক দ্ৰৱবিধৰ প্ৰভাৱ নাইকিয়া হৈ যোৱাৰ লগে লগে সেই অতিৰিক্ত সুখানুভূতিও নাইকিয়া হৈ পৰে। গতিকে পুনঃপুনঃ সেই স্বৰ্গীয় সুখ অনুভৱ কৰিবলৈ ব্যক্তিগৰাকীৰ মনটো লালায়িত হৈ উঠে আৰু পুনঃ পুনঃ সেই মাদকদ্ৰব্যবিধ গ্ৰহণ কৰিবলৈ লয়। এনেকৈয়ে নিয়মীয়া সেৱনৰ ফলত সেই ব্যক্তিগৰাকী গৈ সেই দ্ৰব্যবিধত আসক্ত হৈ পৰে।

সম্প্ৰতি চিকিৎসা বিজ্ঞানীসকলে মাদকাসক্তিক এক ৰোগ হিচাপে চিনাক্ত কৰিছে। আমাৰ বাবে আশাপ্ৰদ কথাটো হ'ল— এই ৰোগ দুৰাৰোগ্য নহয়। কিন্তু এই ৰোগৰ পৰা আৰোগ্য লাভৰ বাবে পৰম্পৰাগত চিকিৎসা পদ্ধতিৰ প্ৰয়োগে যথেষ্ট নহয়। চিকিৎসক আৰু ৰোগীগৰাকীৰ উপৰি ৰোগীগৰাকীৰ পৰিয়াল, বন্ধু-বান্ধৱ তথা শুভাকাংক্ষীৰ পূৰ্ণ সহযোগিতাইহে ৰোগীগৰাকীক সম্পূৰ্ণৰূপে আৰোগ্য লাভ কৰাত সহায় কৰে। অৱশ্যে, চিকিৎসা বিজ্ঞানৰ সৈতে জড়িত এযাৰি আপ্তবাক্য— 'Prevention is better than cure' এই ৰোগৰ ক্ষেত্ৰতো প্ৰযোজ্য।